# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 23-03-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। উচ্চতম ন্যায়ালয়ে ইয়াৰ ৱেবছাইটত দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ য়শৱন্ত বাৰ্মাৰ বাসগৃহৰ পৰা নগদ ধন উদ্ধাৰ হোৱাৰ অভিযোগ সন্দৰ্ভত অভ্যন্তৰীণ প্ৰতিবেদন  আপলোড কৰিছে।

২। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ২০২৫ বৰ্ষৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা চি ইউ ই টিৰ বাবে অনলাইন যোগে আৱেদন দাখিলৰ সময়সীমা কাইলৈ লৈকে বৃদ্ধি কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে পিয়াজৰ ৰপ্তানিৰ ক্ষেত্ৰত আৰোপিত ২০ শতাংশ শুল্ক প্ৰত্যাহাৰ কৰিছে।

৪। ভাৰতৰ প্ৰণতি নায়কে ফেডাৰেচন ইণ্টাৰনেচনেল দি জিম্নাষ্টিক বিশ্বকাপ প্ৰতিযোগিতাৰ মহিলাৰ ভল্ট শিতানৰ ফাইনেলত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।

*আৰু*

৫। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে যোৱানিশা কলকাতাত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণৰ প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছক ৭ উইকেটত পৰাস্ত কৰে।

ooooo

উচ্চতম ন্যায়ালয়ে যোৱানিশা দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ য়শৱন্ত বাৰ্মাৰ বাসগৃহৰ পৰা নগদ ধন উদ্ধাৰ হোৱাৰ অভিযোগ সন্দৰ্ভত ফটো, ভিডিঅ' সহ অভ্যন্তৰীণ প্ৰতিবেদন ৱেবছাইটত আপলোড কৰে। সৰ্বোচ্চ ন্যায়ালয়ে লগতে এই ঘটনা সন্দৰ্ভত ন্যায়াধীশ বাৰ্মাৰ উত্তৰো জাৰি কৰিছে। ন্যায়াধীশ বাৰ্মাই তেওঁৰ উত্তৰত অভিযোগসমূহ খণ্ডন কৰি জুই লগা তথা নগদ ধন উদ্ধাৰ হোৱা কথাটো মূল ভৱনৰ অংশ নাছিল আৰু বাহিৰৰ কোঠা আছিল বুলি উল্লেখ কৰিছে। ন্যায়াধীশগৰাকীয়ে লগতে কোঠাটোত তেওঁ আৰু তেওঁৰ পৰিয়ালৰ কোনো সদস্য বাস নকৰা বুলি দাবী কৰে।

তদন্তৰ প্ৰতিবেদন অনুসৰি ন্যায়াধীশ বাৰ্মাই তেওঁ অথবা তেওঁৰ পৰিয়ালৰ কোনো সদস্য ভঁৰাল ঘৰত নগদ ধন ৰখা নাছিল বুলি স্পষ্টভাৱে উল্লেখ কৰিছে। উদ্ধাৰ কৰা ধন ৰাখি নিজৰ নহয় বুলিও তেওঁ উল্লেখ কৰিছে।

দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি কে উপাধ্যায়ে দাখিল কৰা তদন্ত প্ৰতিবেদনত আনুষ্ঠানিক বাৰ্তাও অন্তৰ্ভুক্ত কৰা হৈছে। এই বাৰ্তাত ভাৰতীয় টকাৰ ৪-৫টা আধা পোৰা জাপ উদ্ধাৰ কৰা  বুলি কোৱা হৈছে। ২৫ পৃষ্ঠা জোৰা এই তদন্ত প্ৰতিবেদনত হোলীৰ নিশা ন্যায়াধীশ বাৰ্মাৰ বাসগৃহত চলোৱা অগ্নি নিৰ্বাপণ অভিযানৰ ভিডিঅ' আৰু ফটোগ্ৰাফো অন্তৰ্ভুক্ত কৰা হৈছে।

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই ইতিমধ্যে ন্যায়াধীশ বাৰ্মাৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্ত কৰিবলৈ এখন তিনিজনীয়া অভ্যন্তৰীণ তদন্ত কমিটী গঠন কৰিছে। এই কমিটীত পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শীল নাগু, হিমাচল প্ৰদেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ জি এচ সন্ধৱালিয়া আৰু কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অণু শিৱৰমণ আছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ খান্নাই লগতে ন্যায়াধীশ বাৰ্মাক কোনো আইনী কামৰ দায়িত্ব অৰ্পণ নকৰিবলৈ দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক নিৰ্দেশ দিছে।

সংবাদ মাধ্যমৰ বাতৰিত ইতিপূৰ্বে ন্যায়াধীশ বাৰ্মাৰ ঘৰত সূত্ৰপাত হোৱা অগ্নিকাণ্ডৰ সময়ত হিচাপ বিহীন নগদ ধন উদ্ধাৰ হোৱা বুলি বাতৰি পাইছিল। ইয়াৰ পাছতে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে ন্যায়াধীশ বাৰ্মাক তেওঁৰ মূল উচ্চ ন্যায়ালয়- এলাহবাদ উচ্চ ন্যায়ালয়লৈ ঘূৰাই পঠিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। অৱশ্যে শুকুৰবাৰে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ পূৰ্ণ বিচাৰপীঠৰ বৈঠকত শাস্তিমূলক বদলিয়ে পৰ্যাপ্ত নহয় আৰু ন্যায়াধীশগৰাকীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়োৱা হৈছিল। ইয়াৰ পাছতে পূৰ্ণ বিচাৰপীঠখনে অভ্যন্তৰীণ তদন্তৰ প্ৰতি সন্মতি প্ৰকাশ কৰিছিল আৰু প্ৰথম পদক্ষেপ হিচাপে বদলিকৰণত অনুমোদন জনাইছিল। বদলিকৰণৰ প্ৰক্ৰিয়া অব্যাহত আছে যদিও চৰকাৰে এতিয়ালৈকে ইয়াত অনুমোদন জনোৱা নাই।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ২০২৫ বৰ্ষৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা চি ইউ ই টিৰ বাবে অনলাইন যোগে আৱেদন দাখিলৰ সময়সীমা কাইলৈ লৈকে বৃদ্ধি কৰিছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই এখন বিজ্ঞপ্তি যোগে পৰীক্ষা মাচুল জমা কৰাৰ দিনৰ সংশোধন কৰি ২৫ মাৰ্চ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। আৱেদনকাৰীসকলে ২৬ৰ পৰা ২৮ মাৰ্চলৈ আৱেদন পত্ৰৰ বিৱৰণৰ সংশোধন কৰিব পাৰিব। দেশৰ বিভিন্ন চহৰৰ লগতে বিদেশৰ ১৫ খন চহৰত ৮ৰ পৰা ১ জুনৰ ভিতৰত কম্পিউটাৰ আধাৰিত এই পৰীক্ষা আয়োজিত কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে পিয়াজৰ ৰপ্তানিৰ ক্ষেত্ৰত আৰোপিত ২০ শতাংশ শুল্ক প্ৰত্যাহাৰ কৰিছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ইয়াৰ ফলত খেতিয়কসকলৰ বাবে লাভজনক মূল্য সুনিশ্চিত হ'ব আৰু গ্ৰাহকসকলৰ বাবে পিয়াজৰ উপলব্ধতা বৰ্তি থাকিব। ৰবি শস্যৰ বতৰত পিয়াজসহ অন্য শস্যৰ অধিক উৎপাদনৰ ফলত অনাগত সময়ত এনে শস্যসমূহৰ বজাৰ মূল্য হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, ঘৰুৱা বজাৰত উপলব্ধতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে যোৱা বছৰ ১৩ ছেপ্তেম্বৰত পিয়াজৰ ওপৰত ২০ শতাংশ ৰপ্তানি শুল্ক আৰোপ কৰা হৈছিল।

০০০০০

গোলকীয় অৰ্থনৈতিক শক্তিৰূপে প্ৰতিষ্ঠিত হ'বলৈ ভাৰতে বিকাশৰ নতুন পদ্ধতি অৱলম্বন কৰা বুলি নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত ৩১ সংখ্যক লাল বাহাদুৰ শাস্ত্ৰী স্মাৰক বক্তৃতাত তেওঁ প্ৰতিযোগিতামূলক আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ বিভিন্ন দিশ সন্দৰ্ভতো আলোকপাত কৰে। শ্ৰীবেৰীয়ে নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত নীতি আয়োগৰ ভূমিকাৰ বিষয়ে ব্যাখ্যা কৰি কয় যে, সংগঠনটোৱে ৰাজ্যসমূহৰ আৰ্থ সামাজিক উন্নয়ন লক্ষ্যৰে ৰাজ্যিক নীতি কৰ্মশালা শৃংখলাৰ আয়োজন কৰিছে। এতিয়ালৈ আয়োজন কৰা ৩০ খন কৰ্মশালাত মীন পালন, সীমা সুৰক্ষা আৰু কৃত্ৰিম বুদ্ধিমত্তা আদি বিষয়ক অন্তৰ্ভুক্ত কৰা বুলি তেওঁ প্ৰকাশ কৰে। পূৰ্বৰ পৰিকল্পনা আয়োগতকৈ নীতি আয়োগে ৰাজ্যসমূহৰ সৈতে ভিন্ন ধৰণে কাম-কাজবোৰ কৰা বুলি শ্ৰীবেৰীয়ে ব্যক্ত

কৰে। তেও লগতে ধনৰ পৰিৱৰ্তে বিভিন্ন ৰাজ্যৰ সৈতে উত্তৰদায়িত্ব সুনিশ্চিত কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

০০০০০

নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টফাৰ লাক্সনে তেওঁৰ চলিত সপ্তাহৰ ভাৰত ভ্ৰমণৰ পাছত দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সহযোগিতা শক্তিশালী হোৱা বুলি প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে শেহতীয়া ভাৰত ভ্ৰমণৰ অভিজ্ঞতাৰ বিষয়ে সামাজিক মাধ্যম এক্স যোগে প্ৰকাশ কৰিছে। এই ভ্ৰমণ কালত প্ৰতিৰক্ষা, বাণিজ্যকে ধৰি বিভিন্ন খণ্ডত লাভ কৰা সফলতাৰ বিষয়েও তেওঁ আলোকপাত কৰিছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী ৰূপে লাক্সনৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ আছিল আৰু এই ভ্ৰমণ কালত দ্বিপাক্ষিত সম্পৰ্ক সুদৃঢ়কৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল।

০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি  ভগৎ সিং, শিৱৰাম ৰাজগুৰু আৰু সুখদেৱ থাপৰৰ শ্বহীদ দিৱস উপলক্ষে ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ মহান বিপ্লৱী ৩ গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। তেওঁলোকক ১৯৩১ চনৰ আজিৰ দিনটোতে লাহোৰৰ কেন্দ্ৰীয় কাৰাগাৰত ফাঁচী দিয়া হৈছিল।

০০০০০

ৰাজনৈতিক দলসমূহৰ সৈতে নিৰ্বাচনী পঞ্জীয়ন বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু মুখ্য নিৰ্বাচনী বিষয়া পৰ্যায়ত তৃণমূল বৈঠকসমূহ অব্যাহত আছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। মুঠ ৪,১২৩ গৰাকী নিৰ্বাচনী পঞ্জীয়ন বিষয়াই দেশজুৰি সংশ্লিষ্ট বিধানসভাৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰ্যায়ৰ বিষয়মূহ নিষ্পত্তিৰ বাবে সৰ্বদলীয় বৈঠকৰ আয়োজন কৰিছে। মুঠ ৭৮৮ গৰাকী জিলা নিৰ্বাচনী বিষয়া আৰু ৩৬ গৰাকী মুখ্য নিৰ্বাচনী বিষয়াকো ২৪ খন ৰাজ্য তথা ৪ খন কেন্দ্ৰীয় শাসিত অঞ্চলত আপত্তি বা সমস্যা সমাধানৰ বাবে এনে বৈঠকৰ আয়োজন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিৰ পৰ্যায়ৰ ৰাজনৈতিক দলসমূহৰ সক্ৰিয় অংশগ্ৰহণেৰে বৈঠকসমূহ সুকলমে অনুষ্ঠিত হৈ থকা বুলি নিৰ্বাচন আয়োগে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে। দেশজুৰি চলি থকা এই বৈঠকসমূহ ৩১ মাৰ্চৰ পূৰ্বে সম্পূৰ্ণ হোৱাৰ কথা।

ইপিনে, নিৰ্বাচন আয়োগৰ এই তৎপৰতাক ৰাজনৈতিক দলসমূহে আদৰণি জনাইছে। আয়োগে  ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ সকলো দলকে নিৰ্বাচন সম্পৰ্কীয় বিষয়সমূহ নিষ্পত্তিৰ বাবে নিৰ্ধাৰিত সময়ৰ পূৰ্বে নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হ'বলৈ আহ্বান জনাইছে।

০০০০০

ভাৰতৰ প্ৰণতি নায়কে তুৰস্কৰ অন্তাল্যাত অনুষ্ঠিত ফেডাৰেচন ইণ্টাৰনেচনেল দি জিম্নাষ্টিক বিশ্বকাপ প্ৰতিযোগিতাৰ মহিলাৰ ভল্ট শিতানৰ ফাইনেলত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। এছিয়ান চেম্পিয়নশ্বিপৰ দুবাৰকৈ পদক বিজেতা প্ৰণতিয়ে কালি বিয়লি ১৩ দশমিক ৪-১-৭ স্ক'ৰৰে বিশ্বকাপৰ প্ৰথমটো পদক হস্তগত কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ জয়লা হেগে ১৩ দশমিক ৬-৬-৭ আৰু ক্লেয়ৰ পিজে ১৩ দশমিক ৫-৬-৭ স্ক'ৰৰে সোণ আৰু ৰূপৰ পদক লাভ কৰে।

০০০০০

ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণৰ প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত

কলকাতা দলে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটত হেৰুৱাই ১৭৪ ৰান সংগ্ৰহ কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ অধিনায়ক আজিংক্য ৰাহানেই ৫৬ আৰু অপেনৰ সুনীল নাৰায়ণে ৪৪ ৰানৰ বৰঙণি আগবঢ়ায়। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ ক্ৰুনাল পাণ্ডিয়াই তিনিটা আৰু জোচ হেজেলউদে দুটা উইকেট লাভ কৰে।

প্ৰত্যুত্তৰত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে বিৰাট কোহলি আৰু ফিলিপ চল্টে অপেনিং যুটীত সংগ্ৰহ কৰা ৯৫ ৰানৰ সহায়ত ১৭ অভাৰত অনায়াসে লক্ষ্য অতিক্ৰম কৰে। ফিলিপ চল্টে ৫৬ ৰানৰ বৰঙণি আগবঢ়ায়। কোহলিয়ে ৫৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰতিযোগিতাত আজি দুখন খেল খেলোৱা হ'ব। ইয়াৰে বিয়লি চাৰে ৩ বজাত হায়দৰাবাদত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত চেন্নাইত হ'বলগীয়া দ্বিতীয়খন খেলত মুম্বাই ইণ্ডিয়ানছ, চেন্নাই চুপাৰ কিংছৰ সন্মুখীন হ'ব।

০০০০০

**সমাপ্ত**